# মাটিৰ কঠিন চামনিৰ সৃষ্টি

www.rkbassam.in

*Rice Fact Sheet*

**মাটিত কঠিন চামনিৰ দ্বাৰা সৃষ্ট অসুবিধা ঃ**

মাটিত কঠিন চামনিৰ সৃষ্টি হ'লে অংকুৰিত বীজে সেই চামনি ফালি ওলাই আহিব নোৱাৰে। মাটিৰ ভিতৰলৈ আৰু বাহিৰলৈ অক্সিজেনৰ চলাচল সীমাবদ্ধ হয় ; ফলত উদ্ভিদৰ বৃদ্ধি আৰু বিকাশ বাধাগ্ৰস্ত হয়।



**কিয় আৰু ক'ত এনে সমস্যাই দেখা দিয়ে ?**

- মাটি শুকাই গলে কঠিন চামনিৰ সৃষ্টি হ'ব পাৰে।
- এই সমস্যা প্ৰধানতঃ শুকান মাটিত পোনপটীয়াকৈ সিঁচি কৰা খেতিত বীজসমূহ মাটিৰে ঢাক খাই থকা অৱস্থাত বেছিকৈ দেখা দিয়ে ।। সেমেকা মাটিত পোনপটীয়াকৈ বীজ সিঁচি কৰা খেতিৰ পথাৰতো শুকাই গ'লে এনে সমস্যাই দেখা দিয়ে।

**কেনেকৈ চিনাক্ত কৰিব ?**

নিম্নোলিখিত লক্ষণসমূহৰ উপস্থিতি লক্ষ্য কৰিব লাগে

- সিঁচি কৰা ধানখেতিত শস্যৰ সীমাবদ্ধ অংকুৰণ।
- শুকাই যোৱা কঠিন চামনি ফালি অংকুৰিত শস্যৰ বীজ ওলাই আহিব নোৱাৰাৰ বাবে এনে সমস্যা সৃষ্টি হ'ব পাৰে।

কঠিন চামনিৰ পৰা উদ্ভৱ হ'ব পৰা সমস্যা পথাৰডৰাৰ সমতল অৱস্থা আৰু গোটেই পথাৰডৰাত কিদৰে মাটি শুকাইছে, তাৰ ওপৰত নিৰ্ভৰ কৰে।

পুলি অৱস্থাত বাধা দিব পৰা সমস্যা অনেক ,যেনেঃ চপৰাযুক্ত মাটি, আধিক গভীৰতাত বীজ প্ৰতিস্থাপন, সিঁচাৰ সময়ত মাটি অতি কোমল হৈ থকা, সিঁচাৰ সময়ত বৰষুণ হোৱা, কঠিন চামনি, কম পৰিমানৰ বীজৰ প্ৰয়োগ, পানীৰ অভাৱ, বীজ সিঁচাৰ সময়ত বোকাময় পানী, বীজ সিঁচা যন্ত্ৰৰ বাটি বন্ধ কৰা অথবা ৰোপন বা বীজ সিঁচাৰ সময়ত পকৰা, চৰাই বা এন্দুৰে বীজ আতঁৰাই দিয়া বাবে পথাৰডৰাতশস্যৰ সংখ্যা হ্ৰাস হব পাৰে।

সমস্যা এটিৰ বিষয়ে নিশ্চিত হ'বলৈ কৃষকজনক পোনপটীয়াকৈ সিঁচাখেতি ডৰাত মাটিৰ ছিদ্ৰবোৰ বন্ধ কৰিছিল নে নাই সেয়া সুধিব লাগে। লগতে, অংকুৰিত বীজসমূহ ভুমিপৃষ্ঠ ভেদ কৰি শিপা গঠন কৰিব পাৰিছে নে নাই চাব লাগে।

**গুৰুত্ব ঃ**

পোনপটীয়াকৈ সিঁচি কৰা খেতিত কঠিন চামনিয়ে শস্যৰ সংখ্যাত বাৰুকৈয়ে প্ৰভাৱ পেলায়। ইয়াৰ ফলত কৃষি অৰ্থনীতিত প্ৰভাৱ পেলায়।

**ব্যৱস্থাপনা:**

- ভুমিপৃষ্ঠ পৰাপক্ষত সেমেকা কৰি ৰাখিব লাগে।
- কঠিন ভুমিপৃষ্ঠৰ বাবে হ'ব পৰা সমস্যাই শস্যৰ অংকুৰণ আৰু প্ৰাৰম্ভিক বাঢ়নত বেছিকৈ প্ৰভাৱ পেলায়। গতিকে সেই সময়ত যদি ভুমিপৃষ্ঠ সেমেকা কৰি ৰাখিব পাৰি তেন্তে এই সমস্যাৰ পৰা বহু পৰিমাণে উপশম পাব পাৰি।

IRRI

Assam Agribusiness and Rural Transformation Project (APART)

The World Bank is the funding agency of APART
Department of Agriculture, Assam is the nodal department for implementation of APART
ARIAS Society is the State level coordinating and monitoring agency for APART
Assam Agricultural University is the leading Agricultural University of the State and implementing agency of APART, imparting research and scientific support.
International Rice Research Institute (IRRI) is the rice global leader providing technical and hand-holding support in the implementation of APART

The opinions expressed in this publication are those of the authors. They do not purport to reflect the opinions or views of the IRRI. Attribution – Non Commercial-Share Alike 3.0 (Unported)